অধ্যায় ১২ ঃ বিৱর্তনমূলক সমাজবাদ ঃ এডুৱার্ড বার্নষ্টাইন

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য
12.2 পৰিচয় ঃ বিৱর্তনমূলক সমাজবাদ আৰু এডুৱার্ড বার্নষ্টাইন
12.3 এডুৱার্ড বার্নষ্টাইন আৰু সংশোধনবাদ
12.4 'ভাঙনিৰ তত্ত্ব' সন্দর্ভত বার্নষ্টাইনৰ মতামত
12.5 শ্রেণী গাঁথনি আৰু শ্রেণী সংঘর্ষ সন্দর্ভত বার্নষ্টাইন
12.6 দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ সন্দর্ভত বার্নষ্টাইন
12.7 উদ্বত্ত মূল্যৰ তত্ত্ব সন্দর্ভত বার্নষ্টাইন
12.7.1 বার্নষ্টাইনৰ অৱদানৰ মূল্যায়ন
12.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
12.9 অধিক জানিবলৈ
12.10 অগ্রগতিৰ খতিয়ন
12.11 আৰ্হিপ্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিৱর্তনমূলক সমাজবাদৰ মৌলিক ধাৰণাটো বুজি পাব।
- এডুৱার্ড বার্নষ্টাইনৰ অৱদান আৰু তেওঁৰ সংশোধনবাদ আলোচনা কৰিব পাৰিব।
- 'ভাঙনিৰ তত্ত্ব', শ্রেণী গাঁথনি আৰু শ্রেণী সংঘর্ষ, দ্বন্দমূলক আৰু ঐতিহাসিক বস্তুবাদ, উদ্বত্ত মূল্য সন্দর্ভত বার্নষ্টাইনৰ মতামত ব্যাখ্যা কৰিব পাৰিব।
- এডুবার্ড বার্নষ্টাইনৰ ধাৰণাৰ সমালোচনামূলক মূলায়ন কৰিব পাৰিব।

১২.২ পৰিচয় ঃ বিৱর্তনমূলক সমাজবাদ আৰু এডুৱার্ড বার্নষ্টাইন

এডুৱার্ড বার্নষ্টাইনৰ দ্বাৰা প্রণোদিত "বিবর্তনমূলক সমাজবাদ" (Evolutionary Socialism) হৈছে প্রচলিত মার্ক্সবাদৰ পৰা এক গুৰুত্বপূর্ণ বিচ্যুতি। এই মতবাদ অনুসাৰে সমাজবাদ হিংসাত্মক বিপ্লৱৰ মাধ্যমে নহয়, ববং গণতান্ত্রিক আৰু শান্তিপূর্ণ সংস্কাৰৰ জৰিয়তে ধীৰে ধীৰে বিকাশ লাভ কৰিব। বার্নষ্টাইনৰ মতে পুঁজিবাদী সমাজসমূহ ক্রমে অধিক গণতান্ত্রিক আৰু আর্থিকভাৱে স্থিৰ হৈ পৰিছিল, যাৰ ফলত বিপ্লৱী উচ্ছেদৰ প্রয়োজনীয়তা নাথাকে।

এই অধ্যায়ত আমি বিবর্তনমূলক সমাজবাদৰ সৈতে জড়িত বিভিন্ন দিশ আলোচনা কৰিম।

সমাজবাদী চিন্তাৰ বিকাশ, বহুতো পর্যায় অতিক্রম কৰি লাহে লাহে সংঘটিত হৈছে। মার্ক্সবাদী বিপ্লৱী ব্যাখ্যাৰ কাযে কাযে কিছুমান সংস্কাৰবাদী আৰু বিৱর্তনমূলক ধাৰাও উদ্ভৱ হৈছিল, যিসকলে পৰিৱর্তিত ঐতিহাসিক

পৰিস্থিতিৰ সৈতে সমাজবাদী তত্ত্ব খাপ খুৱাবলৈ চেষ্টা কৰিছিল। আৰম্ভণিতে পুঁজিবাদক সম্পূর্ণৰূপে অমানৱীয় বুলি গণ্য কৰা হোৱা নাছিল; বৰং সমাজবাদী চিন্তাৰ আৰম্ভণি পর্যায়ত এই ধাৰণা আছিল যে পুঁজিবাদক এটা স্তৰৰ পিছত মানৱীয় ৰূপ দিব পৰা যায়। সেই কাৰণেই বিতর্কমূলক সমাজবাদ সমাজবাদী চিন্তাৰ এক গুৰুত্বপূর্ণ পর্যায় হিচাপে উদ্ভৱ হয়।

সংজ্ঞাগতভাৱে বিৱর্তনমূলক সমাজবাদ হৈছে এক ৰাজনৈতিক আৰু সামাজিক তত্ত্ব, যিয়ে সমাজবাদী আদর্শ লাভ কৰাৰ বাবে লাহে লাহে শান্তিপূর্ণ আৰু গণতান্ত্রিক পৰিৱর্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিৱর্তনমূলক সমাজবাদৰ মুখ্য ধাৰণাটো হৈছে যে হিংসাত্মক বিপ্লৱৰ জৰিয়তে নহয়, বৰং ধীৰে ধীৰে আৰু শান্তিপূর্ণ সংশোধন আৰু পুনঃগঠনৰ জৰিয়তে সমাজবাদ প্রাপ্ত কৰিব পৰা যায়। এই তত্ত্বটো এই বিশ্বাসৰ ওপৰত আধাৰিত যে পুঁজিবাদী ব্যৱস্থাটো মৌলিকভাৱে ত্রুটিপূর্ণ আৰু সমাজবাদ হৈছে এনে এটা পথ যিয়ে অধিক ন্যায়সংগত আৰু সমতাভিত্তিক বিকল্প আগবঢ়ায়। তথাপি যিয়ে হিংসাৰ জৰিয়তে পুঁজিবাদী ব্যৱস্থা উচ্ছেদৰ পক্ষে মত প্রকাশ কৰে, সেই ধাৰণাৰ বিপক্ষে, বিৱর্তনমূলক সমাজবাদে গণতান্ত্রিক প্রক্রিয়াৰ জৰিয়তে সমাজবাদলৈ শান্তিপূর্ণ উত্তৰণৰ পক্ষে মত প্রকাশ কৰে।

এই বিৱর্তনমূলক দৃষ্টিভংগীৰ সৈতে জড়িত আটাইতকৈ প্রভাৱশালী চিন্তাবিদসকলৰ ভিতৰত এজন আছিল জার্মান মার্ক্সবাদী তত্ত্ববিদ এডুৱার্ড বার্নষ্টাইন। ঊনবিংশ শতিকাৰ শেষভাগত আৰু বিংশ শতিকাৰ আৰম্ভণিত, বার্নষ্টাইনে অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক বিকাশৰ পৰিপ্রেক্ষিতত অর্থডক্স মার্ক্সবাদী দৃষ্টিভংগীক প্রত্যাহ্বান জনাইছিল। তেওঁৰ এই চিন্তাধাৰাৰ ফলস্বৰূপে বিৱর্তনমূলক সমাজবাদ অথবা সংশোধনবাদৰ উদ্ভৱ ঘটে। 1899 চনত প্রকাশিত তেওঁৰ গ্রন্থ Evolutionary Socialism ত বার্নষ্টাইনে বিৱর্তনমূলক সমাজবাদৰ ধাৰণাটো সুস্পষ্টভাৱে উপস্থাপন কৰে। ৰাজনৈতিক বিজ্ঞানৰ সাহিত্যত এই বিৱর্তনমূলক আৰু সংস্কাৰবাদী সমাজবাদী ধাৰাটো গণতান্ত্রিক সমাজবাদী চিন্তাবিদ যেনে জ্যান জাউৰো আৰু ফেবিয়ান সমাজবাদীসকলৰ সৈতে সংযুক্ত কৰা হয়। বার্নষ্টাইনৰ হস্তক্ষেপ ঐতিহাসিকভাৱে গুৰুত্বপূর্ণ আছিল কাৰণ তেওঁ অর্থডক্স মার্ক্সবাদৰ কিছুমান মৌলিক ধাৰণাক প্রশ্ন কৰিছিল— বিশেষকৈ পুঁজিবাদৰ অৱশ্যম্ভাৱী পতন আৰু হিংসাত্মক বিপ্লৱৰ প্রয়োজনীয়তাক নতুনকৈ প্রশ্ন কৰিছিল। একে সময়তে তেওঁ সমাজবাদৰ বহল লক্ষ্যসমূহ, যেনে সামাজিক ন্যায়, সমতা আৰু শ্রমিক অধিকাৰৰ সুৰক্ষাৰ প্রতি প্রতিশ্রুতিবদ্ধ আছিল। এই অধ্যায়ত বার্নষ্টাইনৰ সংশোধনবাদী দৃষ্টিভংগী আৰু পুঁজিবাদী ভাঙনি, শ্রেণী গাঁথনি আৰু শ্রেণী সংঘর্ষ, দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, আৰু উদ্বত্ত মূল্যৰ তত্ত্ব সন্দর্ভত তেওঁৰ মতামতসমূহ আলোচনা কৰা হৈছে।

১২.৩ এডুৱার্ড বার্নষ্টাইন আৰু সংশোধনবাদৰ উত্থান

এডুৱার্ড বার্নষ্টাইন এনে এক সময়ত এজন গুৰুত্বপূর্ণ সমাজবাদী চিন্তাবিদ হিচাপে উদ্ভৱ হৈছিল, যেতিয়া ধ্রুপদী মার্ক্সবাদৰ ভৱিষ্যদ্বাণীসমূহ বাস্তৱত সম্পূর্ণৰূপে প্রতিফলিত হোৱা নাছিল। শ্রমিক শ্রেণীৰ ক্রমবর্দ্ধমান দৰিদ্রতা আৰু পুঁজিবাদৰ তৎকালীন পতনৰ সলনি, বেতন বৃদ্ধি, ট্রেড ইউনিয়নৰ বিস্তাৰ, সংসদীয় গণতন্ত্রৰ বিকাশ আৰু সামাজিক আইন প্রৱর্তনৰ দৰে বহুতো ৰাজনৈতিক-অর্থনৈতিক পৰিৱর্তন, বার্নষ্টাইনে লক্ষ্য কৰিছিল। এই পৰিস্থিতিসমূহে তেওঁক এই যুক্তি আগবঢ়াবলৈ প্রেৰণা দিছিল যে সমসাময়িক পৰিস্থিতিৰ সৈতে সংগতি ৰাখিবলৈ সমাজবাদী তত্ত্বৰ সংশোধন আৱশ্যক আৰু নিতান্তই জৰুৰী।

বার্নষ্টাইনৰ সংশোধনবাদ মানে মার্ক্সবাদী মতবাদসমূহৰ সম্পূর্ণ অস্বীকাৰ নহয়, বৰং ই এক সমালোচনামূলক পুনঃ মূল্যায়ন। তেওঁ মার্ক্সবাদ ত্যাগ অথবা বিৰুদ্ধে যুঁজ দিয়া নাছিল; বৰং ধ্রুপদী (অর্থডক্স) মার্ক্সবাদক প্রশ্ন

কৰিছিল। তেওঁৰ মতে, মার্ক্সবাদক ত্রুটিমুক্ত ব্যৱস্থা হিচাপে গণ্য কৰা উচিত নহয়; বৰং ঐতিহাসিক অভিজ্ঞতাৰ দ্বাৰা সংশোধনৰ বাবে মুকলি এক তাত্ত্বিক কাঠামো হিচাপে দেখা উচিত। Evolutionary Socialism গ্ৰন্থত তেওঁ যুক্তি আগবঢ়ায় যে সমাজবাদ কোনো অৰ্থনৈতিক নিয়মৰ অৱশ্যম্ভাৱী ফল নহয়, বৰং ই এক ৰাজনৈতিক আৰু নৈতিক প্ৰকল্প, যাৰ বাবে সচেতন মানৰ প্ৰচেষ্টা প্ৰয়োজন। সেই কাৰণেই বার্নষ্টাইনে গণতন্ত্ৰ, সংসদীয় প্ৰতিষ্ঠান আৰু আইনগত সংশোধনৰ প্ৰাসংগিকতাক গুৰুত্ব দিয়ে। তথাপি সংশোধনবাদ ইউৰোপ জুৰি সামাজিক গণতান্ত্ৰিক আন্দোলনসমূহৰ ওপৰত এক মৌলিক প্ৰভাৱ হিচাপে গঢ় লৈ উঠিছিল। একে সময়তে, বার্নষ্টেইনৰ সংশোধনবাদে ইউৰোপীয় সমাজবাদৰ ভিতৰত এক বহল পৰিৱৰ্তনো প্ৰতিফলিত কৰিছিল— য'ত বিপ্লৱী প্ৰত্যাশাৰ ঠাইত সংগঠনমূলক সংহতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। নিৰ্বাচনী ৰাজনীতি আৰু আইন প্ৰণয়ন প্ৰক্ৰিয়াত সমাজবাদী দলসমূহৰ বাঢ়ি অহা অংশগ্ৰহণে কৌশল আৰু তত্ত্ব দুয়োটাকেই পুনৰ বিৱেচনা কৰিবলৈ বাধ্য কৰিছল। বার্নষ্টেইনে যুক্তি দিছিল যে ৰাজনৈতিক আচৰণ ইতিমধ্যে বিপ্লৱী অনুমানসমূহ অতিক্ৰম কৰি আগবাঢ়ি গৈছে। এই প্ৰেক্ষাপটত সংশোধনবাদ কেৱল এক তাত্ত্বিক সংশোধন হিচাপে সীমাবদ্ধ নাছিল; ই আছিল সমাজবাদী মতবাদক ব্যাপক গণতান্ত্ৰিক ৰাজনীতিৰ জীৱন্ত অভিজ্ঞতাৰ সৈতে সামঞ্জস্য স্থাপন কৰাৰ এক প্ৰচেষ্টা।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সমাজবাদী চিন্তাধাৰাত এডুৱার্ড বার্নষ্টাইনৰ অৱদান ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ বার্নষ্টাইনৰ তত্ত্বত "সংশোধনবাদ" বুলিলে কি বুজায়?

১২.৪ 'ভাঙনিৰ তত্ত্ব' সন্দৰ্ভত বার্নষ্টাইনৰ মতামত

বার্নষ্টাইন আৰু ধ্ৰুপদী মার্ক্সবাদৰ মাজৰ মুখ্য মতভেদসমূহৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ বিষয় আছিল পুঁজিবাদী ভাঙনিৰ তত্ত্ব। ধ্ৰুপদী মার্ক্সবাদী তত্ত্ব অনুসাৰে, পুঁজিবাদৰ ভিতৰত এনে কিছুমান অন্তর্নিহিত দ্বন্দ্ব বিদ্যমান, যিবোৰ অৱশ্যম্ভাৱীভাৱে ইয়াৰ পতন ঘটাব। এই দ্বন্দ্বসমূহ অৰ্থনৈতিক সংকট, পুঁজিৰ কেন্দ্ৰীভৱন আৰু শ্ৰমিক শ্ৰেণীৰ ক্ৰমবৰ্দ্ধমান দুখ-কষ্টৰ জৰিয়তে অধিক তীব্ৰ হ'ব বুলি ধৰা হৈছিল। বার্নষ্টাইনে এই নির্ধাৰিতবাদী ব্যাখ্যাক প্ৰত্যাহ্বান জনাই পুঁজিবাদৰ অভিযোজনক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে, ঋণ ব্যৱস্থাৰ বিস্তাৰ, ৰাষ্ট্ৰীয় হস্তক্ষেপ, যৌথ সমভাগী কোম্পানী আৰু নিয়ন্ত্ৰণমূলক কাঠামোৰ দৰে ব্যৱস্থাসমূহৰ জৰিয়তে পুঁজিবাদে নিজৰ অন্তর্নিহিত শক্তিশালী মজবুত অৱস্থাৰ সৈতে খাপ খুৱাব পৰা এক উল্লেখযোগ্য ক্ষমতা প্ৰদৰ্শন কৰিছে। সংকট অধিক তীব্ৰ কৰাৰ সলনি এই উন্নয়নসমূহে বহু ক্ষেত্ৰত অৰ্থনৈতিক ব্যৱস্থাটো স্থিতিশীল কৰাত সহায় কৰিছে। সেয়েহে বার্নষ্টাইনে এই ধাৰণাটো অস্বীকাৰ কৰে যে পুঁজিবাদ অৱশ্যম্ভাৱীভাৱে এক বিধ্বংসী পতনৰ দিশে আগবাঢ়ি আছে।

বার্নষ্টাইনৰ মতে, পুঁজিবাদৰ স্থায়িত্বই এইটো সূচাই যে সমাজবাদে পুঁজিবাদৰ অৱশ্যম্ভাৱী পতনৰ ওপৰত ভৰষা কৰিব নোৱাৰে। তাৰ পৰিৱৰ্তে, সমাজবাদ লাভ কৰিবলৈ দীঘলীয়া ৰাজনৈতিক সংগ্ৰাম, গণতান্ত্ৰিক অংশগ্ৰহণ আৰু প্ৰতিষ্ঠানগত সংস্কাৰৰ প্ৰয়োজন। তেওঁ বিশেষভাৱে উল্লেখ কৰে যে অৰ্থনৈতিক সংকটে স্বয়ংক্ৰিয়ভাৱে বিপ্লৱী চেতনাৰ জন্ম নিদিয়ে আৰু বৰঞ্চ শ্ৰমিকসকলৰ জীৱন-মান উন্নত হ'লে প্ৰায়ে চূড়ান্ত

উত্থান-পতনৰ প্রতি আকর্ষণ হ্রাস পাব। এই দৃষ্টিকোণৰ পৰা ৰাজনীতি বিজ্ঞান অধ্যয়নত বার্নষ্টাইনে অৱশ্যম্ভাৱী ভাঙনিৰ তত্ত্বৰ সলনি ইতিহাসৰ পৰিৱর্তনক অধিক মুক্ত আৰু পৰিস্থিতিনির্ভৰ ধাৰণাৰে বাখ্যা কৰিছে।

১২.৫ শ্রেণী গাঁথনি আৰু শ্রেণী সংঘর্ষ সন্দর্ভত বার্নষ্টাইনৰ মতামত

ধ্রুপদী (অর্থডক্স) মার্ক্সবাদ অনুসাৰে, পুঁজিবাদী সমাজ লাহে লাহে পুঁজিপতি শ্রেণী আৰু শ্রমিক শ্রেণীৰ মাজত অধিক বিভাজিত হৈ পৰে, যাৰ ফলস্বৰূপে অৱশ্যম্ভাৱী শ্রেণী যুদ্ধ সংঘটিত হয়। বার্নষ্টাইনে শ্রেণী গাঁথনিৰ এই দ্বিমুখী ধাৰণা বুলি গণ্য কৰিছে। তেওঁ লক্ষ্য কৰে যে আধুনিক সমাজত মধ্যবিত্ত শ্রেণীৰ বিস্তাৰ ঘটিছে, য'ত পেছাদাৰী লোক, দপ্তৰীয় কর্মচাৰী আৰু সৰু উদ্যোগীসকল অন্তর্ভুক্ত। যিসকলৰ ধ্রুপদী মার্ক্সবাদী কাঠামোৰ ভিতৰত সহজে অন্তর্ভুক্ত কৰিব নোৱাৰি। সেইবাবে, ৰাজনৈতিক বিজ্ঞানৰ অধ্যয়নত এই নতুন দিশসমূহ বিশ্লেষণ কৰাৰ বাবে বার্নষ্টাইনে নতুন এক কাঠামোৰ সন্ধান কৰিছিল।

বার্নষ্টাইনে এইটোও উল্লেখ কৰে যে শমিক শ্রেণী নিজেই অভ্যন্তৰীণভাৱে বিভাজিত। দক্ষতা, আয়ৰ স্তৰ আৰু কর্মসংস্থাপনৰ পৰিস্থিতিৰ পার্থক্যই শ্রমিক শ্রেণীৰ ভিতৰত বিভিন্ন স্বার্থ সৃষ্টি কৰিছে। তেওঁৰ মতে, এই পার্থক্যসমূহে একত্রিত বিপ্লৱী শ্রেণী চেতনাৰ ধাৰণাটো দুর্বল কৰি তুলিছে। ফল স্বৰূপে, শ্রেণী সংঘর্ষৰ সদায়েই এক অনির্ণেয় সংঘাতৰ ৰূপ ল'ব লাগিব বুলি ক'ব নোৱাৰি, যাৰ বাবে কেৱল বিপ্লৱহে শেষ পৰিণতি হ'ব।

যদিও বার্নষ্টাইনে শ্রেণী বৈৰিতাৰ বাস্তৱতাক স্বীকাৰ কৰে, তথাপি তেওঁ প্রতিষ্ঠানসমূহৰ ভূমিকালৈ বিশেষ গুৰুত্ব দিয়ে আৰু যুক্তি আগবঢ়ায় যে গণতান্ত্রিক প্রতিষ্ঠানসমূহে সামাজিক সংঘাত সমাধানৰ শান্তিপূর্ণ উপায় আগবঢ়ায়। দিয়ে আৰু যুক্তি আগবঢ়ায় যে গণতান্ত্রিক প্রতিষ্ঠানসমূহে সামাজিক সংঘাত সমাধানৰ শান্তিপূর্ণ উপায় আগবঢ়ায়। সেয়ে ট্রেড ইউনিয়ন, সামূহি সহযোগিতা আৰু সংসদীয় প্রতিনিধিত্বৰ জৰিয়তে শ্রমিকসকলে লাহে লাহে বেতন, কর্ম পৰিস্থিতি আৰু সামাজিক সুৰক্ষাৰ ক্ষেত্রত উন্নতি সাধন কৰিব পাৰে। এইদৰে বার্নষ্টাইনে শ্রেণী সংঘর্ষক এক নির্ণায়ক বিপ্লৱী মুখামুখিৰ সলনি আলোচনা আৰু সংস্কাৰৰ এক অবিৰত প্রক্রিয়া হিচাপে পুনৰ ব্যাখ্যা কৰে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পুঁজিবাদী সমাজত শ্রেণী গাঁথনি সন্দর্ভত বার্নষ্টাইনৰ দৃষ্টিভংগী কেনেকুৱা আছিল?

প্রশ্ন নং ৪ ঃ শ্রেণী সংঘর্ষ সন্দর্ভত বার্নষ্টাইনৰ ধাৰণা ব্যাখ্যা কৰা।

১২.৬ দ্বান্দ্বিক আৰু ঐতিহাসিক বস্তুবাদ সন্দর্ভত বার্নষ্টাইনৰ মতামত

বার্নষ্টাইনৰ সংশোধনবাদী হস্তক্ষেপ কেৱল মার্ক্সবাদৰ অর্থনৈতিক দিশসমূহলৈ সীমাবদ্ধ নাছিল; ই ইয়াৰ দার্শনিক আধাৰলৈও, বিশেষকৈ দ্বান্দ্বিক আৰু ঐতিহাসিক বস্তুবাদলৈ গভীৰভাৱে বিস্তৃত হৈছিল। ধ্রুপদী মার্ক্সবাদীসকলে ঐতিহাসিক বস্তুবাদক সামাজিক বিকাশৰ এক বৈজ্ঞানিক আৰু বস্তুনিষ্ঠ নিয়ম হিচাপে গণ্য কৰিছিল; যাক অনুসাৰে অর্থনৈতিক গাঁথনিয়েই শেষ পর্যন্ত ৰাজনৈতিক প্রতিষ্ঠান, আইনগত ব্যৱস্থা আৰু আদর্শগত

ৰূপসমূহ নির্ধাৰণ কৰে। বার্নষ্টাইনে এই কঠোৰ ব্যাখ্যক প্রশ্ন কৰে আৰু যুক্তি আগবঢ়ায় যে ই ঐতিহাসিক প্রক্রিয়াত অত্যধিক নির্ধাৰিতবাদ আৰোপ কৰে, যাৰ ফলত সামাজিক পৰিৱর্তনৰ জটিলতা একমাত্র কাৰক উপাদানলৈ সংকুচিত হৈ পৰে। বার্নষ্টাইনে মতে, কেৱল অর্থনৈতিক পৰিস্থিতিৰ জৰিয়তে সামাজিক বিকাশক পর্যাপ্তভাৱে ব্যাখ্যা কৰিব নোৱাৰি। সমাজ গঢ়াৰ ক্ষেত্রত বস্তুগত উপাদানৰ গুৰুত্ব তেওঁ অস্বীকাৰ নকৰে যদিও, তেওঁ এই মত অস্বীকাৰ কৰে যে, এই উপাদানসমূহ স্বয়ংক্রিয় বা যান্ত্রিকভাৱে কার্যকৰী হয়। তেওঁ মূলত এই কথাত গুৰুত্ব দিয়ে যে ৰাজনৈতিক প্রতিষ্ঠান, আইনগত ব্যৱস্থ, নৈতিক মানদণ্ড আৰু সচেতন মানৱ কর্মই ঐতিহাসিক বিকাশত আপেক্ষিক স্বয়ত্ত-শাসন উপভোগ কৰে। এই অর্থত বার্নষ্টাইনে যুক্তি দিয়ে যে ধাৰণা আৰু নৈতিক মূল্যবোধ কেৱল অর্থনৈতিক সম্পর্কৰ নিষ্ক্রিয় প্রতিফলন নহয়; ৰৰঞ্চ তেওঁলোকে নিজেই সামাজিক বাস্তৱতাক প্রভাৱিত আৰু পৰিৱর্তিত কৰিব পাৰে।

এই অৱস্থানেই ধ্রুপদী (অর্থডক্স) মার্ক্সবাদৰ পৰা স্পষ্ট বিচ্যুতি সূচায়, কিয়নো ধ্রুপদী মার্ক্সবাদে সাধাৰণতে আদর্শগত আৰু ৰাজনৈতিক উপাদানসমূহক অর্থনৈতিক আধাৰৰ অধীনস্থ কৰিছিল। বার্নষ্টাইনে বিশেষভাৱে মার্ক্সবাদী তত্ত্বত ব্যৱহৃত দ্বান্দ্বিক পদ্ধতিক সমালোচনা কৰে। তেওঁৰ মতে, দ্বান্দ্বিক যুক্তি আছিল বিমূর্ত আৰু অনুমানমূলক, কিয়নো ই প্রায়ে অভিজ্ঞতালব্ধ প্রমাণৰ সলনি যুক্তিগত গাঁথনিৰ ওপৰত নির্ভৰ কৰিছিল। তেওঁৰ দৃষ্টিত দ্বান্দ্বিকতাই সামাজিক দ্বন্দ্বসমূহক অৱশ্যম্ভাৱীভাৱে পূর্বনির্ধাৰিত পৰিণতি, যেনে বিপ্লৱ বা ব্যৱস্থাগত পতনৰ দিশে আগবঢ়া বুলি ব্যাখ্যা কৰাৰ প্রৱনতা সৃষ্টি কৰিছিল। সেয়েহে বার্নষ্টাইনে এই পদ্ধতিক বৌদ্ধিকভাৱে সমস্যাজনক বুলি গণ্য কৰে, কিয়নো ই প্রকৃত ঐতিহাসিক বিকাশৰ সূক্ষ্ম পর্যবেক্ষণক নিৰুৎসাহিত কৰি বিশ্লেষণৰ ঠাইত তাত্ত্বিক নিশ্চিয়তা স্থাপন কৰে।

দ্বান্দ্বিক বস্তুবাদৰ সলনি, বার্নষ্টাইনে অধিক অভিজ্ঞতালব্ধ আৰু আনুমানিক পদ্ধতিৰ সামাজিক বিশ্লেষণৰ পক্ষে মত প্রকাশ কৰে। তেওঁৰ মতে, সমাজবাদী তত্ত্ব দার্শনিক বিমূর্ততাৰ সলনি পর্যবেক্ষণযোগ্য তথ্য, ঐতিহাসিক অভিজ্ঞতা আৰু পৰিসংখ্যামূলক প্রমাণৰ ওপৰত আধাৰিত হ'ব লাগিব। বার্নষ্টাইনৰ বাবে সমাজবাদ পুঁজিবাদৰ ভিতৰত থকা দ্বান্দ্বিক দ্বন্দ্বৰ অৱশ্যম্ভাৱী ফল নহয়; ৰৰঞ্চ ই এক ব্যৱহাৰিক আৰু নৈতিক লক্ষ্য, যাৰ বাবে সচেতন ৰাজনৈতিক প্রচেষ্টাৰ প্রয়োজন। অভিজ্ঞতালব্ধ অনুসন্ধানৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ সমাজবাদক এক নমনীয় আৰু অভিযোজনক্ষম মতবাদ হিচাপে ৰূপান্তৰিত কৰিব বিচাৰিছিল, যিয়ে পৰিৱর্তনশীল সামাজিক পৰিস্থিতিত সঁহাৰি দিব পাৰে।

ঐতিহাসিক বস্তুবাদৰ এই পুনৰ ব্যাখ্যাই বার্নষ্টাইনক সমাজবাদী চিন্তাধাৰাত গণতান্ত্রিক আৰু নৈতিক নীতিসমূহ অন্তর্ভুক্ত কৰাৰ সুযোগ প্রদান কৰে। অর্থনৈতিক ভাগ্যবাদ অস্বীকাৰ কৰি তেওঁ সমাজবাদী লক্ষ্য পূৰণৰ ক্ষেত্রত ৰাজনৈতিক সংস্কাৰ, সংসদীয় প্রতিষ্ঠান আৰু নৈতিক দায়িত্বৰ গুৰুত্ব স্বীকাৰ কৰে। তথাপি, সমালোচকসকলে যুক্তি দিয়ে যে এই অৱস্থানে পুঁজিবাদৰ গাঁথনিক বিশ্লেষণ ত্যাগ কৰাৰ জৰিয়তে মার্ক্সবাদৰ সমালোচনামূলক আৰু বৈজ্ঞানিক চৰিত্র দুর্বল কৰিছে। তথাপি দ্বন্দ্বিক আৰু ঐতিহাসিক বস্তুবাদৰ ওপৰত বার্নষ্টাইনৰ সমালোনাই সমাজবাদক এক সংস্কাৰমুখী আৰু গণতান্ত্রিক পৰম্পৰা হিচাপে পুনৰ গঢ় দিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

১২.৭ উদ্বত মূল্যৰ তত্ত্ব সন্দর্ভত বার্নষ্টাইনৰ মতামত

মার্ক্সবাদী ৰাজনৈতিক অর্থনীতিৰ কেন্দ্রস্থলত উদ্বত মূল্যৰ তত্ত্ব অৱস্থিত, যিয়ে শ্রমিকসকলৰ পৰা বিনা পাৰিশ্রমিক শ্রম আহৰণক, পুঁজিবাদী শোষণ হিচাপে ব্যাখ্যা কৰে। বার্নষ্টাইনে এই ধাৰণাটো সম্পূর্ণৰূপে অস্বীকাৰ

কৰা নাছিল, কিন্তু উন্নত পুঁজিবাদী সমাজসমূহত ইয়াৰ ব্যাখ্যামূলক সক্ষমতাক তেওঁ প্রশ্ন কৰিছিল। তেওঁৰ মতে, উৎপাদন ব্যৱস্তাৰ সংগঠন আৰু ৰাষ্ট্রৰ ভূমিকাত হোৱা পৰিৱর্তনে শোষণৰ তীব্রতা হ্রাস কৰিছে। তদুপৰি, যৌথভাৱে লাভ অংশীদাৰী কোম্পানীৰ দৈনিক উত্থান আৰু ব্যৱস্থাপকীয়া নিয়ন্ত্রণে পুঁজিপতি আৰু শ্রমিকৰ মাজৰ পৰম্পৰাগত পার্থক্য অস্পষ্ট কৰি তুলিছে।

বার্নষ্টাইনে অতিৰিক্ত মূল্যৰ বিশ্লেষণাত্মক কেন্দ্রীয়তাকো প্রশ্ন কৰে আৰু যুক্তি দিয়ে আধুনিক পুঁজিবাদৰ ভিতৰত পৰিৱর্তনশীল সামাজিক সম্পর্কসমূহ ধৰি ৰাখিবলৈ ই তত্ত্ব ব্যর্থ হৈছে। তেওঁৰ মতে, ৰাষ্ট্রৰ ক্রমবর্দ্ধমান ভূমিকা, যৌথ সহযোগী আৰু সামাজিক আইনসমূহে আয়ৰ বণ্টন পৰিৱর্তন কৰিছে আৰু ব্যক্তিগত পুঁজিপতিসকলৰ দ্বাৰা অতিৰিক্ত মূল্যৰ প্রত্যক্ষ অধিগ্রহণ সীমিত কৰিছে। এই প্রেক্ষাপটত, অতিৰিক্ত মূল্য তাৎক্ষণিক আৰু দৃশ্যমান শোষণৰ উৎসতকৈ অধিক এক মধ্যস্থাপিত অর্থনৈতিক প্রক্রিয়া হিচাপে দেখা যায়, যাৰ বাবে বিপ্লৱী বিলোপৰ সলনি ৰাজনৈতিক নিয়ন্ত্রণৰ প্রয়োজন বুলি বার্নষ্টাইনে যুক্তি আগবঢ়ায়।

বার্নষ্টাইনৰ মতে, পুঁজিবাদৰ সমালোচনা কেৱল অতিৰিক্ত মূল্যৰ তত্ত্বৰ ওপৰত নির্ভৰশীল হ'ব নালাগে। তেওঁ ন্যায়, সমতা আৰু সামাজিক কল্যাণ সন্দর্ভত নৈতিক যুক্তিসমূহক সমাজবাদৰ মৌলিক আধাৰ হিচাপে গুৰুত্ব দিয়ে। অর্থনৈতিক নির্ধাৰিতবাদৰ পৰা মনোযোগ আঁতৰাবলৈ নৈতিক আৰু ৰাজনৈতিক সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি বার্নষ্টাইনে সমাজবাদক গণতান্ত্রিক সমাজৰ সৈতে অধিক সামঞ্জস্যপূর্ণ কৰি তুলিব বিচাৰিছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ উদ্বত মূল্যৰ তত্ত্ব সন্দর্ভত বার্নষ্টাইনে কেনে ধৰণৰ ব্যাখ্যা আগবঢ়াইছিল?

প্রশ্ন নং ৬ ঃ সমাজবাদত গণতন্ত্র আৰু নৈতিকতাৰ ওপৰত বার্নষ্টাইনে কিয় গুৰুত্ব আৰোপ কৰিছিল?

১২.৭.১ বার্নষ্টাইনৰ অৱদান মূল্যায়ন

এডুৱার্ড বার্নষ্টাইনৰ বিৱর্তনমূলক সমাজবাদে ধ্রুপদী মার্ক্সবাদৰ পৰা এক গুৰুত্বপূর্ণ বিচ্যুতি প্রতিনিধিত্ব কৰে। ক্রমশঃ সংশোধন, গণতন্ত্র আৰু নৈতিক বিৱেচনাৰ ওপৰতা তেওঁৰ গুৰুত্বই ধ্রুপদী মার্ক্সবাদী তত্ত্বৰ বিপ্লৱী আৰু নির্ধাৰিতবাদী উপাদানসমূহক প্রত্যাহ্বান জনায়। যদিও তেওঁৰ ধাৰণাসমূহ ধ্রুপদী মার্ক্সবাদীসকলে তীব্রভাৱে সমালোচনা কৰিছিল, তথাপি সামাজিক গণতন্ত্রৰ বিকাশত বার্নষ্টাইনৰ প্রভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

যদিও সমাজবাদী চিন্তাধাৰাত এডুৱার্ড বার্নষ্টাইনৰ অৱদান ঐতিহাসিকভাৱে গুৰুত্বপূর্ণ, তথাপি বিৱর্তনমূলক সমাজবাদৰ তেওঁৰ তত্ত্ব মার্ক্সবাদী আৰু সমাজবাদী পৰম্পৰাৰ ভিতৰত ধাৰাবাহিক সমালোচনাৰ সন্মুখীন হৈছে। এক মুখ্য সমালোচনা হ'লে যে বার্নষ্টাইনে পুঁজিবাদৰ সংস্কাৰ আৰু অভিযোজন ক্ষমতাৰ ওপৰত অতিমাত্রাত গুৰুত্ব আৰোপ কৰি ইয়াৰ গাঁথনিক দ্বন্দ্বসমূহক অৱমূল্যায়ন কৰিছে। কল্যাণমূলক আইন, ট্রেড ইউনিয়নৰ লাভ আৰু সংসদীয় গণতন্ত্রক আগবঢ়াই দি তেওঁ পুঁজিবাদক এক নমনীয় ব্যৱস্থা হিচাপে উপস্থাপন কৰে, যিয়ে অবিৰত উন্নতি লাভ কৰিব পাৰে বুলি ধৰা হয়; ইয়াৰ ফলত অসমতা, শোষণ আৰু সংকটৰ দৰে অন্তর্নিহিত প্রৱণতাসমূহ উপেক্ষিত হয়। সমালোচকসকলে যুক্তি দিয়ে যে এনে মূল্যায়নে পৃষ্ঠতলীয় সংস্কাৰৰ ওপৰত গুৰুত্ব দি পুঁজিবাদৰ গভীৰ অর্থনৈতিক গতিশীলতাক উপেক্ষা কৰে।

পুঁজিবাদী ভাঙনিৰ তত্ত্ব অস্বীকাৰ কৰাটোও বার্নষ্টাইনৰ বাবে তাত্ত্বিকভাৱে অসুবিধাজনক বুলি সমালোচিত হৈছে। ধ্রুপদী মার্ক্সবাদীসকলৰ মতে, সংস্কাৰ আৰু ৰাষ্ট্রীয় হস্তক্ষেপৰ জৰিয়তে পুঁজিবাদে সাময়িকভাৱে নিজকে

স্থিতিশীল কৰিব পাৰিলেও, এই ব্যৱস্থাসমূহে ইয়াৰ মৌলিক দ্বন্দ্বসমূহ দূৰ নকৰে। এই দৃষ্টিভংগীৰ পৰা বার্নষ্টাইনে নিজৰ সময়ৰ অভিজ্ঞতালব্ধ প্ৰৱণতাসমূহৰ ওপৰত অতিমাত্ৰা ভৰষা কৰি পুঁজিবাদৰ দীঘলীয়া গতি-প্ৰকৃতি নিজৰ সময়ৰ অভিজ্ঞতালব্ধ প্ৰৱনতাসমূহ প্ৰায়ে পুঁজিপতি শ্ৰেণীৰ ক্ষমতাৰ কাঠামোৰ ভিতৰত কার্য কৰে আৰু পৰিৱর্তন আনিবলৈ সীমাবদ্ধতা আৰোপ কৰে। ইয়াৰ ফলত, ইয়াৰ আধাৰসমূহক প্ৰত্যাহ্বান জনোৱাৰ সলনি বিৱর্তনমূলক সমাজবাদে শ্ৰমিক শ্ৰেণীক বিদ্যমান ব্যৱস্থাৰ সৈতে একত্ৰিত কৰাৰ আশংকা থাকে।

তদুপৰি নৈতিক সমাজবাদৰ ওপৰত বার্নষ্টাইনৰ গুৰুত্বক পুঁজিবাদৰ গাঁথনিক সমালোচনাৰ পৰা নৈতিক সংস্কাৰৰ আহ্বানলৈ সমাজবাদক সৰাই নিয়া বুলি সমালোচনা কৰা হৈছে। নৈতিক বিবেচনা গুৰুত্বপূর্ণ হ'লেও কেৱল নৈতিক যুক্তিয়ে ব্যৱস্থাগত শোষণ সমাধান কৰিব নোৱাৰে বুলি সমালোচকসকলে যুক্তি দিয়ে। এই অর্থত, বার্নষ্টাইনৰ সংশোধনবাদক সমাজবাদক সামাজিক গণতন্ত্রলৈ ৰূপান্তৰিত কৰাত সহায় কৰা বুলি দেখা হয়, যাৰ ফলত ইয়াৰ বিপ্লৱী আৰু ৰূপান্তৰক্ষম সম্ভাৱনা দুর্বল হয়।

বার্নষ্টাইনৰ চিন্তাধাৰাই সমাজবাদক এক বিপ্লৱী মতাবাদৰ পৰা গণতান্ত্রিক প্ৰতিষ্ঠানৰ ভিতৰত কার্য কৰিবলৈ সক্ষম এক সংস্কাৰমুখী ৰাজনৈতিক আন্দোলনলৈ ৰূপান্তৰিত কৰাত অৱদান আগবঢ়াইছে। আধুনিক গণতান্ত্রিক সমাজবাদৰ তাত্ত্বিক আধাৰ আৰু সমাজবাদী চিন্তাধাৰাত সংস্কাৰ আৰু বিপ্লৱৰ মাজৰ চলমান বিতর্ক বুজিবলৈ তেওঁৰ ৰচনা এতিয়াও প্ৰাসংগিক।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ বার্নষ্টাইনৰ বিৱর্তনমূলক সমাজবাদৰ গুৰুত্ব মূল্যায়ন কৰা।

১২.৮ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

• এডুৱার্ড বার্নষ্টাইন সমাজবাদী চিন্তাধাৰাত এক অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰে, কিয়নো তেওঁ বিৱর্তনমূলক সমাজবাদ আৰু সংশোধনবাদৰ মুখ্য তাত্ত্বিক আছিল। তেওঁৰ ধাৰণাসমূহ ঊনবিংশ শতিকাৰ শেষভাগত ইউৰোপৰ পৰিৱর্তিত সামাজিক আৰু ৰাজনৈতিক বাস্তৱতাৰ প্ৰতিক্ৰিয়া স্বৰূপে উদ্ভৱ হৈছিল, য'ত পুঁজিবাদ মার্ক্সে অনুমান কৰা তুলনাত অধিক স্থিতিশীল বুলি দেখা গৈছিল।

• বার্নষ্টাইনৰ সংশোধনবাদৰ এই বিশ্বাসৰ ওপৰত আধাৰিত আছিল যে মার্ক্সবাদক এক অভ্রান্ত মতবাদ হিচাপে গণ্য কৰা উচিত নহয়। তাৰ পৰিৱর্তে, তেওঁ যুক্তি আগবঢ়ায় যে সমাজবাদী তত্ত্ব অভিজ্ঞতালব্ধ প্ৰমাণ আৰু ঐতিহাসিক অভিজ্ঞতাৰ পোহৰত সদায় সংশোধনৰ বাবে উন্মুক্ত থাকিব লাগিব। তেওঁ মার্ক্সবাদী পদ্ধতি সম্পূর্ণৰূপে অস্বীকাৰ কৰা নাছিল, কিন্তু ধ্রুপদী মার্ক্সবাদক প্ৰত্যাখ্যান জনাইছিল।

• বার্নষ্টাইনৰ এক মুখ্য অৱদান আছিল পুঁজিবাদী ভাঙনিৰ মার্ক্সবাদী তত্ত্বৰ ওপৰত কৰা সমালোচনা। তেওঁ এই ধাৰণাটো অস্বীকাৰ কৰিছিল যে পুঁজিবাদ নিজৰ অন্তর্নিহিত দ্বন্দ্বৰ ফলত অৱশ্যম্ভাৰীভাৱে পতন হ'ব, আৰু ইয়াৰ সংস্কাৰ আৰু অভিযোজন ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

• বার্নষ্টাইনে মধ্যবিত্ত শ্ৰেণীৰ বৃদ্ধি আৰু শ্ৰমিক শ্ৰেণীৰ ভিতৰত আভ্যন্তৰীণ বিভাজনক উদ্‌ঘাটন কৰি শ্ৰেণী গাঁথনি সম্পর্কে ধ্রুপদী মার্ক্সবাদী বুজাবুজিক প্ৰত্যাহ্বান জনাইছিল। তেওঁৰ মতে, এই উন্নয়নসমূহে শ্ৰেণী ধ্রুৱীকৰণ বৃদ্ধি পাব বুলি ধৰা ধাৰণাটো দুর্বল কৰিছিল।

• বিপ্লৱী শ্ৰেণী যুদ্ধৰ সলনি বার্নষ্টাইনে সংসদীয় ৰাজনীতি, ট্ৰেড ইউনিয়ন কার্যকলাপ আৰু সামাজিক

আইন-কানুনৰ দৰে গণতান্ত্রিক পদ্ধতিৰ পক্ষে মত প্রকাশ কৰিছিল। তেওঁৰ দৃষ্টিত শ্রেণী সংঘর্ষ এক নির্ণায়ক বিপ্লৱী সংঘাত নহয়, বৰঞ্চ এক অবিৰত আৰু নিয়ন্ত্রিত প্রক্রিয়া।

• বার্নষ্টাইনৰ সংশোধনবাদ মার্ক্সবাদৰ দার্শনিক আধাৰলৈও বিস্তৃত হৈছিল, বিশেষকৈ ঐতিহাসিক বস্তুবাদলৈ। তেওঁ ইয়াৰ কঠোৰ অর্থনৈতিক নির্ধাৰিতবাদৰ সমালোচনা কৰিছিল আৰু যুক্তি দিছিল যে কেৱল বস্তুগত উপাদানৰ দ্বাৰাই সামাজিক পৰিৱর্তন ব্যাখ্যা কৰিব নোৱাৰি।

• তেওঁ ঐতিহাসিক বিকাশ গঢ় দিয়াত ৰাজনৈতিক প্রতিষ্ঠান, আইনগত ব্যৱস্থা, নৈতিক মূল্যবোধ আৰু সচেতন মানৱ কর্মৰ স্বতন্ত্র ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল। বার্নষ্টাইনৰ মতে, ধাৰণাসমূহ কেৱল অর্থনৈতিক গাঁথনিৰ প্রতিফলন নহয়, বৰঞ্চ সমাজৰ ভিতৰত সক্রিয় শক্তি।

• সমাজ বিশ্লেষণৰ পদ্ধতি হিচাপে দ্বান্দ্বিকতাক লৈ বানষ্টাইন সংশীয় আছিল আৰু ইয়াক অনুমানমূলক আৰু বিমূর্ত বুলি গণ্য কৰিছিল। তেওঁ পর্যবেক্ষণযোগ্য সামাজিক প্রৱনতা আৰু ঐতিহাসিক তথ্যৰ ওপৰত আধাৰিত এক অভিজ্ঞতালব্ধ আৰু আনুমানিক পদ্ধতিক অধিক পছন্দ কৰিছিল।

• অতিৰিক্ত মূল্যৰ তত্ত্বৰ ক্ষেত্রত বার্নষ্টাইনে আধুনিক পুঁজিবাদৰ অধীনত শোষণ ব্যাখ্যা কৰাৰ একমাত্র মাধ্যম হিচাপে ইয়াৰ কেন্দ্রীয়তাক প্রশ্ন কৰিছিল। তেওঁৰ মতে, ৰাষ্ট্রীয় হস্তক্ষেপ আৰু সামাজিক সংস্কাৰে পুঁজিবাদী শোষণৰ কার্যপ্রণালী পৰিৱর্তন কৰিছে।

• সামগ্রিকভাৱে, বার্নষ্টাইনৰ বিৱর্তনমূলক সমাজবাদে সমাজবাদক এক সংস্কাৰমুখী আৰু গণতান্ত্রিক পৰম্পৰালৈ ৰূপান্তৰিত কৰে। যদিও মার্ক্সবাদক পাতল কৰা বুলি তেওঁ সমালোচিত হৈছিল, তথাপি তেওঁৰ ধাৰণাসমূহে আধুনিক সামাজিক গণতন্ত্রৰ বৌদ্ধিক আধাৰ স্থাপন কৰে আৰু আজিও সমকালীন সমাজবাদী চিন্তাধাৰাত প্রভাৱ পেলাই আছে।

W ১২.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Gaiba, O.P. (2013). *An intrduction to political theory* (4th ed.). New Delhi : Macmillan.
2) Heywood, A. (2017). *Political ideologies : An introduction* (6th ed.). London : Palgrave Macmillan.
3) Kolakowski, L. (1978). *Main currents of Marxism* (vol. 2). Oxford _ Oxford University Press.
4) Vincent, A. (2010). *Modern political ideologies* (3rd ed.). Oxford : Wiley-Blackwell.

K ১২.১০ অগ্রগতিৰ খতিয়ন

১ নং প্রশ্নৰ উত্তৰ ঃ

এডুৱার্ড বার্নষ্টাইনক বিতর্কমূলক সমাজবাদ আৰু সংশোধনবাদৰ মুখ্য তাত্ত্বিক হিচাপে গণ্য কৰা হয়। ঊনবিংশ শতিকাৰ শেষবাগত ইউৰোপৰ পৰিৱর্তিত সামাজিক আৰু ৰাজনৈতিক বাস্তৱতাৰ পোহৰত তেওঁ অর্থডক্স মার্ক্সবাদী অনুমানসমূহক প্রশ্ন কৰিছিল। বার্নষ্টাইনে যুক্তি দিছিল যে সমাজবাদে বিপ্লৱী পতনৰ ওপৰত নির্ভৰ নকৰি গণতান্ত্রিক প্রতিষ্ঠানৰ জৰিয়তে লাহে লাহে বিকশিত হ'ব লাগে। সংস্কাৰ,

সংসদীয় ৰাজনীতি আৰু নৈতিক বিবেচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ সমাজবাদক এক ব্যৱহাৰিক আৰু অভিযোজনক্ষম মতবাদলৈ ৰূপান্তৰিত কৰিছিল। তেওঁৰ ধাৰণাসমূহে আধুনিক সামাজিক গণতন্ত্ৰৰ বৌদ্ধিক আধাৰ স্থাপন কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ

সংশোধনবাদ বুলিলে বাৰ্নষ্টাইনে ধ্ৰুপদী মাৰ্ক্সবাদী তত্ত্বৰ সমালোচনামূলক পুনৰ মূল্যায়ন আৰু সংশোধনৰ প্ৰচেষ্টা বুজায়। তেওঁৰ মতে, মাৰ্ক্সবাদক এক স্থিৰ মতবাদ হিচাপে গণ্য কৰা উচিত নহয়, বৰঞ্চ ই ঐতিহাসিক অভিজ্ঞতাৰ সৈতে বিকশিত হ'ব লাগিব। তেওঁ পুঁজিবাদৰ অৱশ্যম্ভাৱী পতন আৰু বিপ্লৱী শ্ৰেণী সংঘৰ্ষৰ দৰে নিৰ্ধাৰিতবাদী ধাৰণাসমূহক প্ৰশ্ন কৰিছিল। তাৰ পৰিৱৰ্তে তেওঁ অভিজ্ঞতালব্ধ পৰ্যবেক্ষণ আৰু গণতান্ত্ৰিক সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এইদৰে সংশোধনবাদে সমাজবাদ ত্যাগ নকৰি ইয়াক ব্যৱহাৰিক ৰাজনৈতিক বিকাশৰ সৈতে সামঞ্জস্যপূৰ্ণ কৰিবলৈ চেষ্টা কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

বাৰ্নষ্টাইনে সমাজ ক্ৰমবৰ্দ্ধমানভাৱে দুটা বৈৰী শ্ৰেণীত বিভক্ত হৈছে বুলি মাৰ্ক্সবাদী ধাৰণাক প্ৰশ্ন কৰিছিল। তেওঁ মধ্যবিত্ত শ্ৰেণীৰ বৃদ্ধি আৰু শ্ৰমিক শ্ৰেণীৰ ভিতৰত অভ্যন্তৰীণ বিভাজনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে, এই উন্নয়নসমূহে একত্ৰিত বিপ্লৱী শ্ৰমিক শ্ৰেণীৰ ধাৰণাটো দুৰ্বল কৰিছিল। বাৰ্নষ্টাইনে যুক্তি দিছিল যে শ্ৰেণী পৰিচয় অৰ্থডক্স মাৰ্ক্সবাদে কোৱা তুলনাত অধিক জটিল আৰু পৰিৱৰ্তনশীল। ফল স্বৰূপে, শ্ৰেণী সংঘাত সদায় হিংসাত্মক মুখামুখিৰ ৰূপ লৈ নোৱাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

বাৰ্নষ্টাইনে শ্ৰেণী সংঘাতৰ অস্তিত্ব অস্বীকাৰ কৰা নাছিল, কিন্তু অৱশ্যম্ভাৱী বিপ্লৱী শ্ৰেণী যুদ্ধৰ ধাৰণাটো তেওঁ নাকচ কৰিছিল। তেওঁৰ মতে, ট্ৰেড ইউনিয়ন আৰু আইনগত ব্যৱস্থাৰ দৰে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহে শ্ৰেণী স্বাৰ্থ সমাধানৰ শান্তিপূৰ্ণ উপায় প্ৰদান কৰে। তেওঁৰ দৃষ্টিত, শ্ৰেণী সংঘৰ্ষ এক নিৰ্ণায়ক বিপ্লৱী ঘটনা নহয়, বৰঞ্চ আলোচনা আৰু সংস্কাৰৰ এক অবিৰত প্ৰক্ৰিয়া। এই ব্যাখ্যাই গণতান্ত্ৰিক আৰু বিৱৰ্তনমূলক সমাজবাদৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

বাৰ্নষ্টাইনে উদ্ধৃত মূল্যৰ তত্ত্ব সম্পূৰ্ণৰূপে অস্বীকাৰ কৰা নাছিল, কিন্তু আধুনিক পুঁজিবাদ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত ইয়াৰ কেন্দ্ৰীয়তাক প্ৰশ্ন কৰিছিল। তেওঁৰ মতে, ৰাষ্ট্ৰীয় হস্তক্ষেপ, ট্ৰেড ইউনিয়ন আৰু সামাজিক আইনে পুঁজিবাদী শোষণৰ কাৰ্যপ্ৰণালী পৰিৱৰ্তন কৰিছে। অতিৰিক্ত মূল্যই কেৱল আয় বণ্টন আৰু শ্ৰম পৰিস্থিতিৰ পৰিৱৰ্তন ব্যাখ্যা কৰিব নোৱাৰে বুলি তেওঁ যুক্তি দিছিল। সেয়েহে তেওঁ বিপ্লৱী বিলোপৰ সলনি ৰাজনৈতিক নিয়ন্ত্ৰণ আৰু সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ

বাৰ্নষ্টাইনৰ মতে, সমাজবাদ কেৱল অৰ্থনৈতিক ফলাফল নহয়; ই এক নৈতিক আৰু ৰাজনৈতিক প্ৰকল্প। তেওঁ সমাজবাদী লক্ষ্য পূৰণৰ বাবে গণতান্ত্ৰিক অংশগ্ৰহণ, নৈতিক মূল্যবোধ আৰু আইনগত সংস্কাৰৰ গুৰুত্ব স্বীকাৰ কৰিছিল। অৰ্থনৈতিক নিৰ্ধাৰিতবাদ অস্বীকাৰ কৰি তেওঁ সচেতন মানৱ নিৰ্বাচনৰ

ভূমিকাত গুৰুত্ব আৰোপ কৰিছল। এই দৃষ্টিভংগীয়ে সমাজবাদক গণতান্ত্রিক প্রতিষ্ঠানৰ ভিতৰত কার্য কৰিবলৈ সক্ষম কৰি তুলিছিল আৰু শ্রমিক শ্রেণীৰ বাহিৰতো ইয়াৰ আকর্ষণ বৃদ্ধি কৰিছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ

বার্নষ্টাইনৰ বিৱর্তনমূলক সমাজবাদে বিপ্লৱী মার্ক্সবাদৰ পৰা সংস্কাৰমুখী সামাজিক গণতন্ত্রলৈ এক গুৰুত্বপূর্ণ স্থানান্তৰ সূচায়। ক্রমান্বয়ে পৰিৱর্তন, সংসদীয় ৰাজনীতি আৰু নৈতিক সংস্কাৰৰ পক্ষে তেওঁ সমাজবাদী কৌশল আৰু তত্ত্ব পুনর্গঠন কৰিছিল। যদিও মার্ক্সবাদক পাতল কৰা বুলি তেওঁ সমালোচিত হৈছিল, তথাপি তেওঁৰ ধাৰণাসমূহে ইউৰোপত কল্যাণমূলক ৰাষ্ট্র আৰু গণতান্ত্রিক সমাজবাদৰ বিকাশত গভীৰ প্রভাৱ পেলাইছিল। সমাজবাদী চিন্তাধাৰাত সংস্কাৰ আৰু বিপ্লৱৰ মাজৰ বিতর্ক বুজিবলৈ বার্নাষ্টাইন এতিয়াও গুৰুত্বপূর্ণ।

১২.১১ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (150 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ পুঁজিবাদী ভাঙনি তত্ত্বৰ ওপৰত বার্নষ্টাইনৰ সমালোচনা আলোচনা কৰা।

প্রশ্ন ২ ঃ পুঁজিবাদী সমাজত শ্রেণী গাঁথনি সন্দর্ভত বার্নষ্টাইনৰ মতামত পৰীক্ষা কৰা।

প্রশ্ন ৩ ঃ দ্বান্দ্বিক বস্তুবাদৰ ওপৰত বার্নষ্টাইনৰ সমালোচনা বিশ্লেষণ কৰা।

খ) ৰচনাধর্মী প্রশ্ন (300–500 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ এডুৱার্ড বার্নষ্টাইনৰ বিৱর্তনমূলক সমাজবাদৰ তত্ত্ব সমালোচনামূলকভাৱে পৰীক্ষা কৰা।

প্রশ্ন ২ ঃ ধ্রুপদী মার্ক্সবাদৰ ওপৰত বার্নষ্টাইনৰ সংশোধনবাদী সমালোচনা আলোচনা কৰা।

প্রশ্ন ৩ ঃ বার্নষ্টাইনৰ গণতান্ত্রিক সমাজবাদৰ ধাৰণাসমূহৰ গুৰুত্ব মূল্যায়ন কৰা।